# জ্ঞানম্




K.R.D. College of Education
LIBRARY
Acc No:
Date:
Chhaygaon, Kamrup, Pin-781124


সম্পাদকদ্বয়ঃ

বিকাশ দাস

হিমাশ্রী কাশ্যপ




Children's Day
কংকনা তামুলী


Children's Day
কংকনা তামুলী

**পৰিচালনা সমিতি :** মুখ্য উপদেষ্টা: ড° অভিজিৎ দেৱ অধিকাৰী
ৰেখামণি ডাকুৱা

উপদেষ্টা মণ্ডলী : উমানন্দ বৰুৱা, জ্যেষ্ঠ প্ৰবক্তা
বৰ্ণালী গোস্বামী, জ্যেষ্ঠ প্ৰবক্তা
অপৰাজিতা দাস বৰাৰ লগতে সমূহ অধ্যাপক-অধ্যাপিকা বৃন্দ।

সম্পাদকদ্বয় : বিকাশ দাস, প্ৰথম বৰ্ষ।
হিমাশ্ৰী কাশ্যপ, প্ৰথম বৰ্ষ।

সহঃ সম্পাদক : দ্বীপজ্যোতি কলিতা, প্ৰথম বৰ্ষ
সীমামণি বৰা, প্ৰথম বৰ্ষ।

বেটুপাত : ধ্ৰুৱজ্যোতি কলিতা, প্ৰথম বৰ্ষ।

অলংকৰণ : কাংকনা অমুলী, প্ৰথম বৰ্ষ।
নিলাক্ষী বৰা, প্ৰথম বৰ্ষ।

অক্ষৰ বিন্যাস : নিলাক্ষী বৰা, প্ৰথম বৰ্ষ,
জেভিদ মেধি, প্ৰথম বৰ্ষ।
আংকিতা দেৱী, প্ৰথম বৰ্ষ
ৰিম্পী বোস, প্ৰথম বৰ্ষ
টুবুলু নাথ, প্ৰথম বৰ্ষ।
মৃনালিনী ৰায়।

সম্পাদনা সহযোগী সকল : প্ৰিয়াঙ্কিতা দাস
ৰঞ্জিৎ সন্যাল
আকাংক্ষা হাজৰিকা
বেবী খানিকৰ আৰু লগতে
সমূহ প্ৰশিক্ষাৰ্থী বৃন্দ।

# উচৰ্গা



যিগৰাকী মহান ব্যক্তিৰ শৈক্ষিক চিন্তাধাৰা তথা ভূমিদানৰ ফলত কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়খন নিৰ্মাণ হৈ উঠিছিল, সেইগৰাকি মহান ব্যক্তি সুৰেন্দ্ৰ নাৰায়ণ কাকতিৰ চৰণত বি এড প্ৰথম বৰ্ষৰ সমূহ শিক্ষাৰ্থীৰে দ্বাৰা প্ৰকাশিত এই জ্ঞানম আলোচনীখন উচৰ্গা কৰা হল।

# শুভেচ্ছাবাণী

বি.এড প্ৰথম বৰ্ষৰ সমূহ শিক্ষাৰ্থীৰ প্ৰচেষ্টাৰ ফল এই "জ্ঞানম" আলোচনী।

এই হাতেলিখা আলোচনীখনৰ দ্বাৰা আমাৰ মহাবিদ্যালয়ৰ শৈক্ষিক দিশত এক ধনাত্মক প্ৰভাৱ পৰিব বুলি আমি আশাবাদী।

"জ্ঞানম" আলোচনীয়ে কঢ়িয়াই আনক কিছু নতুন প্ৰত্যাশা, জন্ম দিয়ক নৱ প্ৰতিভাৰ। সংস্কৰণটিৰ প্ৰতিভাৰ সৈতে জড়িত সমূহ শিক্ষাৰ্থী আৰু পাঠকবৃন্দলৈকে মোৰ লগতে আমাৰ মহাবিদ্যালয়ৰ সমূহ পৰিয়াল বৰ্গৰ পৰা শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

কৃষ্ণকান্ত দাস শিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ
ড° অভিজিৎ দেৱ অধিকাৰী

# শুভেচ্ছা বাণী

বি.এড প্ৰথম বৰ্ষৰ সমূহ প্ৰশিক্ষাৰ্থীৰ আৰ্হিলাৰ ফল আৰু হাতৰ পৰশত "প্ৰজ্ঞানম" প্ৰাণ পাই উঠিল। এক নতুন আশা বুকুত বান্ধি প্ৰশিক্ষাৰ্থী সকলে কষ্ট আৰু চেষ্টাৰ মাজেৰে এই হাতেলিখা আলোচনীখন ১৪ নৱেম্বৰ শিশু দিৱস উপলক্ষে উন্মোচন কৰাৰ প্ৰয়াস কৰিছে। আলোচনীখনে পোহৰমুখী বাৰ্তা কঢ়িয়াই আনিব বুলি আমি আশাবাদী। এনে প্ৰচেষ্টা যাতে ভৱিষ্যতে অব্যাহত থাকে তাৰে কামনা কৰি মই আমাৰ মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গৰ ফালৰ পৰা প্ৰশিক্ষাৰ্থীসকলক শুভেচ্ছা যাঁচিলো।

— বেনামণি ঠেকুৰা।

কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ প্ৰথম বাৰ্ষিকৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা এখনি হাতে লিখা আলোচনী প্ৰকাশ পাব বুলি জানি অতি আনন্দিত হৈছোঁ। শিক্ষাৰ্থীসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ এই সুন্দৰ প্ৰচেষ্টাক ধন্যবাদ জনাইছোঁ। আশা কৰিছোঁ এনেকুৱা সৃষ্টিশীল প্ৰচেষ্টাই ছাত্ৰ ছাত্ৰীসকলক বৌদ্ধিক বিকাশ ত্বৰান্বিত কৰিব। সৃষ্টিশীল প্ৰয়াস কৰাটো সহজ কিন্তু অব্যাহত ৰাখিবলৈ প্ৰচুৰ ধৈৰ্য আৰু নিৰন্তৰ অধ্যৱসায়ৰ প্ৰয়োজন। এনেকুৱা সুন্দৰ প্ৰয়াস আৰু ধাৰাবাহিকতা যাতে অব্যাহত থাকে তাৰেই কামনাৰে। — উৎপলাক্ষ বৰুৱা

জ্যেষ্ঠ প্ৰৱক্তা,
কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়

## সম্পাদকীয়

"আজি জনতাৰ পংকজ ৰূপে
জাগে পদুমৰ দৰে,
বোকাত জনমা মানুহে আজি
আলোক'লে বৈচি আছে
বেলিমুৱা হৈ হাঁহে ।"

— জ্যোতিপ্ৰসাদ আগৰৱালা

পবিত্ৰ শিশু দিৱসৰ লগত সংগতি ৰাখি উন্মোচন কৰিব বিচৰা আমাৰ সামগ্ৰিক প্ৰচেষ্টাৰ ফল জ্ঞানম্ আলোচনী । সময়ৰ দিশৰ পৰা তেনেই নব্য যদিও সাহিত্যৰ প্ৰায়বোৰ দিশক আমাৰ উক্ত আলোচনীখনক গঢ় দিবলৈ বিচাৰিছো ।

আত্মবিশ্বাস, সৃষ্টিশীলতা, উৎসাহ হওঁক আমাৰ ইন্ধন । হাতে-লিখা আলোচনীখনৰ দ্বাৰা সৃষ্টিশীলতা, অংকন, অলংকৰণ আদি সমগ্ৰ সৃষ্টিশীল প্ৰতিভাৰ প্ৰকাশ এই আলোচনীখনত ঘটিছে । এই আলোচনীখনে এক আকাৰাত্মক প্ৰভাৱ পেলাব বুলি আমি আশাবাদী ।

# সূচীপত্ৰ


| | | পৃষ্ঠা |
|---|---|---|
| তৃষ্ণাময় জীৱন | বিকাশ দাস | ১ |
| बचपन की यादें | दीपीका देवी दास | ২ |
| বিপন্ন শৈশৱ | বেবী খনিকৰ | ৩ |
| Just facts | কবৰী গগৈ | ৪ |
| শান্তিৰ সন্ধানত | অংকিতা দেৱী | ৫ |
| কবিতা | চুমকী দাস | ৬ |
| জীৱনৰ মায়াজাল | জবেৰী গোস্বামী | ৭ |
| Educational thoughts | Rupoma Kalita | ৮ |
| বন্ধুত্ব | ৰঞ্জিত সান্যাল | ৯ |
| শৃংখল ভঙাৰ কবিতা | জিন্টু দাস | ১০ |
| শৈশৱৰ সপোন | টুবুলু নাথ | ১১ |
| জীয়া অনুভৱ | মমী আহমেদ | ১২ |
| সুন্দৰ পৃথিৱী | বিদ্যুৎ জ্যোতি শৰ্মা | ১৩ |
| অত্যাধিক পৰিশ্ৰমৰ বোজা আৰু মানসিক চাপ | নিশা দেৱী | ১৪ |
| Veda, Vedanga and Śikṣā | Rimpi Bose | ১৫-১৬ |
| শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন ২০০৯ | ডেভিদ বোধি | ১৭-১৮ |
| Need for girl child Education | Nilakshi Borah | ১৯-২০ |
| শিক্ষাত খেল-ধেমালিৰ গুৰুত্ব | ডিম্পু বৰুৱা | ২১-২২ |
| Education Till Senscence | Susmita Das | ২৩-২৪ |
| আই-কিউ | মনীষা বৰালী | ২৫ |
| অনুশীলন (প্ৰশ্ন) | শ্ৰী মামণি বৰা | ২৬ |

| | | পৃষ্ঠা |
|---|---|---|
| Light Seekers | Rupashree Das | ২৭-২৮ |
| সংস্কৃত ভাষাৰ গৌৰৱময় তথ্য | হিমশিখা বেঁতৈ | ২৯-৩০ |
| ৰাজীৱ ঈশ্বৰ এক অনুভৱ | ছয়নিকা কলিতা | ৩১-৩৩ |
| বাটে বাটে ফুল সিঁচি থৈ | হিমাশ্ৰী কাশ্যপ | ৩৭-৩৮ |
| বাস্তৱ | শিল্পা ৰয় | ৩৯-৪২ |
| গুৰু শিষ্যৰ সম্বন্ধ | পিংকী বুঢ়াগোহাঁই | ৪৩ |
| আপুনি মোৰ বন্ধু হব? | অমিত সিংহ | ৩৪-৩৬ |
| Mathematical Symbols | Anamika Mondal | ৪৪ |
| গীতা সাৰাংশ | চয়নিকা কলিতা | ৪৫ |

# উচ্চাশাময় জীৱন

অনুশাসনেৰে ভৰা স্কুলীয়া জীৱনৰ
হেজাৰটা সপোনৰ দুৱাৰত
টোকৰ মাৰি চাওঁ
কিজানিবা কোনোবা সপোনৰ বাকলিত
জীয়াই তুলিব পাৰো
শিক্ষাৰে আৱৰা জ্যোতির্ময় জ্ঞানক ,,
কিতাপৰ পৃষ্ঠৰ বোজাবোৰে
জীৱনৰ বাকলিত জ্ঞানৰ স্ফুলিংগ হৈ
শিকাই হৈ যায়.........
এন্ধাৰৰ মাজেৰে পোহৰ আনিবলৈ !
আজিও সংগ্ৰামৰ মাজমজিয়াত
নিশাচৰ হৈ বিচাৰি ফুৰোঁ
কিজানিবা সপোন ভেদি ঘূটলিব পাৰোঁ
শিক্ষাৰে গঢ়িব বিচৰা
এটি নিষ্ঠাবান , সত্যময় জীৱনক ।।

বিকাশ দাস
'খ' শাখা

# बचपन की यादें

बचपन की वो यादें जो आज भी
होठों पर मधुर सी मुस्कान लाती है,

जहा जीते थे जिंदगी सिर्फ अपनी शर्तों पे
थे अनजान समय की बदलती ऋतुओ से,

लड़कपन के किस्से भी अजीब थे
एक पल में लड़ाई और दूसरे पल मे फिर संग
हस लेते थे,

समय ने ये कैसा खेल रचाया है
मासूमियत का एहसास अब जाकर समझ आया है,

ना होती थी शिकवा न शिकायत किसी से
कहते थे झूठ पर दिल से सच्चे थे,

बचपन के वो दिन, अब जाने कहाँ खो गए
जहाँ दिल नहीं सिर्फ खिलौने टुटा करते थे,

मंजिल की तलाश में अपने पीछे छूट गए
न जाने क्यों हम ऐसे बदल गए............

दीपीका देवी दास
'ख' शाखा

# বিপন্ন শৈশৱ

হয়তো সেইয়া অবাস্তৱ
এটুকুৰা হাঁহি আৰু এআঁজলি আবেগ
পুৱাৰ কিৰণেই খিডিমাই আছে
কণুৱাৰ ফাকু খেলা কত ভাৱনা, কত বেদনা
ক'ত সেই সোণোৱালী শৈশৱ
য'ত নাই কোনো সাদৃকতা, কোনো আকুলতা
ভাৱনাৰ নামেই হয়তো বিষাদ
কেৱল এমুঠি ভাতৰ বাবেই ।
ফুটপাথৰ আঁৰৰ পৰ্দাৰ কাষেৰে
কোনেনো চাইছে আজি
প্ৰতিদিন প্ৰতিক্ষণ সিহঁতে বিচাৰে মাথো
আকলুৱা সময় আৰু এটি উন্মুক্ত জীৱন,
কিন্তু ! কিয় জানো সময়ৰোৱ স্বলনি নহয়
সিহঁতেও বিচাৰে আজি সোৱাদৰ অকণমান আশা
জীৱন-মৰন আৰু বিষন্নতাৰ অনুভূতিবোৰ
প্ৰস্ফুটিত হয় মাথো অশ্ৰুসিক্ত নয়নকণাত
জীপাল আশাবোৰে পৰিচয় দি গৈছে মাথো
নিঃসংগতাৰ মৰীচিকা, এমুঠি ভাৱনা
সংগ্ৰাম কেৱল অনাদি, অনন্তকাললৈ ।।

বেবী ভানিকাৰ
প্ৰথম বৰ্ষ
'ক' শাখা

# Just Facts

- Istanbul is the only city in the world that is located in two continents.
- The oldest playable musical instrument in the world is a flute carved from a bird's wing bone more than 9000 years ago.
- Recent droughts in Europe were the worst in 2100 years.
- The best place in the world to see rainbow is in Hawaii.
- Mount everest is bigger now than the last time it was measured.
- A person who was born on February 29 may be called a "leapling"
- There are fossilized plants in Greenland under 1.4 km of ice.
- Dentistry is the oldest profession in the world.

Karabi Gogoi
Section 'B'

# শান্তিৰ সন্ধানত



জোনাক নিশা
গভীৰ ৰাতিত যেতিয়া
সমগ্ৰ জীৱন
চকুৰ আগত ভাঁহি আহে
আকাশৰ তৰাৰ আঁৰে-আঁৰে
বাৰুকৈয়ে মোৰ মনত পৰে ।
জীৱন বাটত পোৱা-নোপোৱা,
জয়-পৰাজয় সকলো ভাৱনা,
কষ্ট, পৰিশ্ৰম লগতে
অনেক ভাৱৰ দুলনা ।
অতৃপ্ত তুমি, মই আৰু সকলো
ব্যস্ত আৰু ক্লান্ত
নতুন পোহৰৰ আগমনিৰে
শান্তিৰ সিপাৰে হ'ব মোৰ নতুন দিগন্ত ।

অংকিতা দেৱী
'খ' শাখা

# কবিতা

ন'কৰা নেজানো বুলি
লিখিবলৈ কবিতা,
জোনাকৰ গভীৰ নিশাত
আপ্লুত হৈ
তুমিয়েই জোন হৈছিলা,
জোনৰ পোহৰত
উজ্জ্বলাইছে সেউজী পাত
যেন দেখিবলৈ দূৰৈৰ মৰীচিকা ।
ন'কৰা নেজানো বুলি
লিখিবলৈ কবিতা ।
নিবিৰ নিৰল স্বৰে চোন
দূৰৈৰ পাহাৰলৈ চাই,
শুনিছিলো তোমাৰ মুখত
সুৱৰ্ণ শব্দ সম্ভাৰৰ
অলেখ বাক্যৰ সজ্জিতা ।
সেয়া হয়তো
তোমাৰ মনৰ ভিতৰৰ
প্ৰতিচ্ছবি আছিল ।
সেয়া হয়তো
তোমাৰ বুজাব নোৱাৰা
অনুভৱ আছিল ।
হাতত যদি তুলিলা হৈ
এখনি পত্ৰিকা,
টুকি থোৱা সেই শব্দবোৰ
হ'লহি হেঁতেন এটি কবিতা ।
সেয়েহে,
কলমখনিও ন'কৰা
ন'কৰা নেজানো বুলি
লিখিবলৈ কবিতা ।

— ঝুমকী দাস
'ক' শাখা

# জীৱনৰ মায়াজাল

টিপ্ টিপ্ বৰষুণজাকৰ বাবে দোকানীজনৰ বিক্ৰী আনদিনাৰ তুলনাত আজি যথেষ্ট কম। দোকান খুলিবলৈ নামবিহীন এটা ৰেলইটোৰ ওপৰত এখন ঠেলাগাড়ীখন বাহনখন। ৰাস্তাৰ সোঁফালটোৰ সন্মুখত এটা চাকিখনৰ তলতে ভদ্ৰ যেন লগা এজন মানুহে চিগাৰেটটো জ্বলাই দুই ওঁঠৰ মাজত লৈছে। সেই সময়তে বিপৰীত ফুটপাথটোত বহি থকা জপৰা চুলিৰ আৰু মলিয়ন কাপোৰ পৰিহিত এটা সৰু ল'ৰা সেইফালে আগবাঢ়ি আহিল। দোকানখনত থকা আন বিচাৰি কিবা ইংগিত দিব বিচাৰিছিলহে, সেই ভদ্ৰলোকজনৰ ধমকিত সি দুখোজমান পিছুৱাই গ'ল। কিছুপৰ সি শিলপৰা কপৌৰ দৰে থৰ হৈ ৰ'ল।

'ঐ লম এইয়া ল' বুলি আগবঢ়াই দিয়া ৰুটি আৰু ভাজিখিনি লৈ হাঁহি এমোকোৰা জিলিকি উঠিল জপৰা চুলিখিনিৰ ল'ৰাজনৰ মুখত। সদায় ৰুটি দিয়া সেই দোকানীজন যে নিচেই আপোন তাৰ....।

কাবেৰী গোস্বামী
বি. এড প্ৰথম বৰ্ষ
'ক' শাখা

# Educational Thoughts

- "If we want to reach real Peace in this world, we should start educating children."

  Mahatma Gandhi

- "Education is the most Powerful weapon which you Can use to change the world."

  Nelson Mandela.

- "Education is not the learning of facts, but the training of the mind to think."

  Albert Einstin.

- "Some of the brightest minds in the country can be found on the last banches of the classroom."

  Dr. APJ Abdul kalam.

- "Teachers can change lives with just the right mix of chalk and challenges."

  Joyce Meyer

Collector – Rupoma kalita.
B.Ed 1st year (Sec. B)

## বন্ধুত্ব

নিঃস্বাৰ্থভাৱে বান্ধ খাই থকা
এখন মজবুত শিকলি;
যাৰ প্ৰতিটো গাঁঠিয়ে ঘুঁৰাই দিয়ে
যেন ই এটা নামৰ অমৰ সৃষ্টি ।
কিছু ধেমালী, কিছু হাঁহি, কিছু লাজ
হয় চাগে এয়াই বন্ধুত্বৰ প্ৰতিটো মূল ।

সুখ আৰু দুখৰ সময়ত
কাষত থাকি সহযোগ কৰাই
জানো বন্ধুত্ব নহয় ।

যি কেতিয়াও কাম্য নহয়
যাক কেতিয়াও মানি ল'ব নোৱাৰি
পবিত্ৰতাই যদি ৰাখিব নোৱাৰি
তেন্তে বন্ধুত্বৰ প্ৰয়োজন কি ?
নালাগে এনে বন্ধুত্বৰ দাবী
নালাগে এনে গোপন বন্ধুত্বৰ এনাজৰী
যেনেদৰে আছিলা
তেনেদৰে থাকিবা ।

— ৰঞ্জিত সান্যাল
'খ' শাখা

# শৃংখল ভঙাৰ কবিতা

নীলিম আকাশত বিলীন
এজাক শৰালি ।
তোমাৰ চকুৰ তিৰবিৰণিত
এজাক তৰালি ।
বলা যাওঁ শৃংখল ভাঙি,
শিকলি ছিঙি ।
বলা যাওঁ চৰাইৰ দৰে
মুক্ত হৈ,
বতাহত হৃদয় মেলোঁ
উন্মুক্ত হৈ,
গীত গাওঁ আশাৰ,
সপোনৰ,
সমাজৰ বাধা ভঙা ।
শুনিছানে বতাহত
মুক্তিৰ কবিতা
চৌদিশে
শৃংখল ভঙাৰ কবিতা ?
অনুভৱ কৰোঁ ব'লা
সেই উন্মাদনা,
সমাজৰ নিয়ম ভাঙি ।

— জিন্টু দাস
'ম' শাখা

# শৈশৱৰ সপোন

বিচিত্ৰ সেই সপোনবোৰ
ৰং সলায় হঠাতে
কেতিয়াবা আকাশত,
কেতিয়াবা সাগৰত,
কেতিয়াবা আকৌ যাদুৰ খেলাত
স্বপ্নৰ সম্ৰাট হৈ !
বিশ্ব জয় কৰাৰ হাবিয়াস।
কিযে মাদকতা
শৈশৱৰ সময়ছোৱাত
সৌপন্নীৰ এজামুৰি সৈতে
বাস্তৱৰ সৈতে আকৌ মিতিৰালি।
পুৰাৰে বেগটো কান্ধত বান্ধি
মাক টি-ফিনত কি দিছ বুলি প্ৰশ্ন কৰি
ৰাতিৰ সপোন মায়া সকলো এৰি
পঢ়াশালীলৈ ঢপলি
জীৱন গঢ়াৰ এটি
বাস্তৱ প্ৰস্তুতি॥

— দ্বিবুলু নাথ
'খ' শাখা

# জীয়া অনুভৱ

জীয়া অনুভৱ
হৈছে শব্দৰ নাটনি।
কবিতাটি লিখিবলৈ,
শব্দই জগাই তুলিছে শিহৰণ
জাগি উঠিবলৈ।
সূৰ্য্যমুখী ফুলৰ দৰে চকুযোৰ
হিয়া বিদাৰিলে,
হিয়াৰে মাটিতে
অভিমান বিৰিঙিলে।
তুমি কথা কলৈই
মনৰ চিলা উৰে উলাহত,
আগৰি নপৰোঁ ভাৰি
যেন কিবা আবেগত।
ৰ'দালি তুমি
বাগৰি আহা,
হিয়া মন বৰষা
এবুকু মৰম দিয়া
জীৱনৰ মন্ত্ৰ
সৌভাগ্যৰে তন্ত্ৰ তুমিয়েতো।

মমী আহমেদ
'ম' শাখা

# সুন্দৰ পৃথিৱী

সূৰ্যৰ পোহৰত জিলিকে বননি
উজ্বলি উঠিল ধৰা কৰি গুঞ্জনি
গছৰ পাতে-পাতে,
বিৰিখৰ ডালে-ডালে
ছাহি আছে কুলিৰ বিননি ।
সেউজী পাৰৰ
সোণালী ধৰা
জোন জোনালীময়
নীল আকাশ
সুগন্ধি সুবাস
কেনে মনোমোহা হয় ।
মুকলি আকাশত
স্বাধীন পক্ষীৰ বিচৰণ
বতাহৰ কি নাচোন
ৰাতিৰ আকাশত
তৰাৰ জিলিকনি
জোনালী ৰাতিৰ কান্দোন ।

— বিদ্যুৎ জ্যোতি শৰ্মা
'ম' শাখা

## অত্যধিক পৰিশ্ৰমৰ বোজা আৰু মানসিক চাপ

শিশু এটি পঢ়া-শুনাত ভাল হ'লেই অভিভাৱকে শিশুটিক নিজৰ ইচ্ছামতে যিকোনো কাম কৰিবলৈ কেতিয়াও এৰি দিব নোৱাৰে। অভিভাৱকে সদায় বিচাৰে যে শিশুটি কেৱল পঢ়া-শুনাতেই নহয়, অন্যান্য ক্ষেত্ৰতো আগবাঢ়ি যাওঁক। তাৰ বাবে তেওঁলোকে নিজৰ সন্তানক যিমান পাৰে সিমান উৎসাহ যোগায়। কিন্তু তেওঁলোকে এইটো কথা পাহৰি যায় যে দিনৰ দিনটো পঢ়া-শুনা আৰু খেলা-ধূলাৰ পিছত সিহঁত ভাগৰি পৰে, অভিভাৱকে বুজিব লাগে যে শিশু হিচাপে যিমান সময় জিৰণি লোৱাৰ প্ৰয়োজন সিমান সময় জিৰণি ল'ব নাপায়েই আৰু শিশুৱে ক'ব নোৱাৰাকৈয়ে মানসিক চাপ অনুভৱ কৰিব ধৰে।

আজিকালি গৰমৰ বন্ধতো ল'ৰা-ছোৱালীয়ে নিজ-ইচ্ছামতে ক'তো ফুৰিব যাবলৈ সময় নাপায়। ল'ৰা-ছোৱালীয়ে সেই দিনকেইটাতো বিভিন্ন কৰ্মশালাত অংশগ্ৰহণ কৰিব লগা হয় আৰু যাৰ বাবে সিহঁতৰ একেবাৰে সময় নাইকিয়া হৈ যায়। নাচ-গান, সাঁতোৰ, ছবি অঁকাৰ পৰা আৰম্ভ কৰি খেলা-ধূলালৈ সকলোবোৰ শিকিব আৰু কৰিব লাগিলে সময়ো বহুত লাগে। একেদিনাই সকলো বিদ্যাতে পাৰ্গত কৰি তুলিব খোজা মানসিকতাৰ বাবে অত্যধিক পৰিশ্ৰমো কৰিব লগা হৈছে, অভিভাৱকে এইটো বুজিব লাগে।

শিশুৱে যিটো কৰি ভাল পায়, কৰিব দিব লাগে। লগতে ইয়াকো ক'ব লাগে যে শিশুটিয়ে কি কি শিকিব পৰা বিষয় আছে আৰু তাৰ মাজৰ পৰা শিশুটিয়ে নিজে বিচৰা ধৰণে শিকিবলৈ সুযোগ পাব লাগে। অভিভাৱকে নিজ ইচ্ছানুসৰি কেতিয়াও 'এইটো কৰ, সেইটো কৰ'— বুলি জোৰ কৰিব নালাগে। ল'ৰা-ছোৱালীক যিমান পাৰি মৰমেৰে সকলো কথা বুজাবলৈ চেষ্টা কৰিব লাগে। আনৰ ল'ৰা-ছোৱালীয়ে কি শিকিছে বা পৰীক্ষাত কিমান নম্বৰ পাইছে সেইবোৰত লাগি থকাটো ইমান ভাল নহয়। সেয়েহে নিজৰ শিশুটিয়ে যি কৰিছে তাত সন্তুষ্ট হৈ অভিভাৱকে সদায় উৎসাহ যোগাব লাগে আৰু শিশুটিক মানসিক চাপত ভুগিব লগা পৰিস্থিতিৰ পৰা আঁতৰাই ৰাখিব লাগে।

— নিভা দেৱী
'ম' শাখা

## Veda, Vedanga and Śikṣā

In the world of Sanskrit literature, we find various parts of literature. Among them, Vedas has its own important place The Vedas i.e. 'knowledge' are a large body of religious texts originating in ancient India. In Sanskrit, the word 'Veda' derived from the "√विद् - ज्ञाने", which means 'to know'

In Ṛkpratiśākhya, Viṣnumitra, give the meaning of Veda as "विद्यन्ते ज्ञायन्ते लभ्यन्ते एभिर्धर्मादिपुरुषार्था इति वेदाः।" The meaning of the line is "By which book we gain the knowlege about the four Puruṣārtha i.e Dharma, Artha, kāma and Mokṣa, is known as Veda."

All the Vedas are divided into four parts— (i) Samhita, (ii) Brahmaṇa (iii) Āraṇyaka and (iv) Upaniṣad. At the last Part of Upaniṣad we find a portion named as Vedāṅga. Vedāṅga also divided into six parts. these —

"शिक्षा व्याकरणं छन्दो निरुक्तं ज्योतिषं तथा।
कल्पश्चेति षडङ्गानि वेदस्याहुर्मनीषिणः॥"

Without Vedānga, we dont know about the Veda completely Among the all Vedāṅga's, शिक्षा Plays a huge rule Which is known as the nose of Vedapurusa— शिक्षा घ्राणं तु वेदस्य. For chanting the Vedic mantras the knowlege

of Svara is so much important. The Purpose of शिक्षा is delivered the knowledge of chanting the mantras of Veda. If we can't utter the mantras perfectly, it brings inauspiciousness in the human life. In तैत्तिरीय उपनिषद्' Śikṣā is divided into six parts – "वर्णः, स्वरः, मात्रा, बलम, साम, सन्तानः इत्युक्तः शिक्षाध्यायः।"

In the Veda, we find 35 books on Śikṣa. there the Ṛṣis describes very nicely about the chanting of Mantras. By summarising the 32 Books on Śikṣā a special book Published by named as "शिक्षा संग्रह". The Pāṇinian Śikṣā, divided into eleven volums.

In a nutshell, Veda, Vedāṅga and Śikṣā are interelated. Veda is known as the root of all Dharma that is knowledge'. It is said that वेदोऽखिल धर्ममूलम्'. It is the source of all kind of knowlege exist in the universe.

— Rimpi Bose
'B' Section

## "শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন, ২০০৯"

শিক্ষা হৈছে সভ্যতাৰ প্ৰাণশক্তি, প্ৰগতিৰ মূল আহিলা। এটা জাতি আৰু এখন সমাজৰ সৰ্বাংগীন উন্নয়নৰ মূলধন। শিশুকাল মানৱ জীৱনৰ অতি স্পৰ্শকাতৰ সময়। এই সময়ছোৱাতে তেওঁলোকক ভৱিষ্যত জীৱনৰ কাৰণে প্ৰস্তুত কৰা হয়। আমি সকলোৱে জানো যে, আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যত। গতিকে, দেশৰ প্ৰতিজন শিশুৱে যাতে উপযুক্ত শিক্ষা লাভ কৰি দেশৰ সৰ্বাংগীন উন্নয়নত অৱদান আগবঢ়াব পাৰে তাৰ বাবে তেওঁলোকক প্ৰত্যেককে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে।

"শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন অথবা শিক্ষাৰ অধিকাৰ আইন (RTI) ২০০৯ চনৰ ৪ আগষ্ট তাৰিখে ভাৰতীয় সংসদে প্ৰণয়ন কৰে। ২০১০ চনৰ ১ এপ্ৰিলৰ পৰা আইনখন বলবৎ হোৱাৰ লগে লগে প্ৰতিজন শিশুৰ বাবে শিক্ষাক মৌলিক অধিকাৰ হিচাপে গণ্য কৰা ১৩৫ খন দেশৰ ভিতৰত ভাৰতো এখন হিচাপে পৰিগণিত হয়। শিক্ষাৰ অধিকাৰ আইনখনে 'বিনামূলীয়া আৰু বাধ্যতামূলক' শব্দ দুটাৰ সমন্বয় ঘটাইছে। বিনামূলীয়া শিক্ষাই ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত নামভৰ্তি কৰা শিশুসকলক বাদ দি বাকী কোনো শিশুৱেই কোনো ধৰণৰ মাচুল পৰিশোধ নকৰাকৈ বিনা অসুবিধাত প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰিব পৰাটো বুজাইছে। বাধ্যতামূলক শিক্ষাই চৰকাৰ আৰু স্থানীয় কৰ্তৃপক্ষক ৬ ৰ পৰা ১৪ বছৰ বয়সৰ শিশুৰ বাবে প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰিব পৰাকৈ নামভৰ্তি আৰু নিয়মীয়া উপস্থিতিৰ দায়িত্ব প্ৰদান কৰিছে।

জম্মু আৰু কাশ্মীৰৰ বাহিৰে সমগ্ৰ ভাৰতত ২০১০ চনৰ ১ এপ্ৰিলৰ পৰা আইনখন বলবৎ কৰা হয়। সেই সময়ৰ ভাৰতীয় প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙে তেওঁৰ বক্তৃতাত কয়, 'লিংগবৈষম্য আৰু সামাজিক বৈষম্য আঁতৰাই সকলো শিশুৰ শিক্ষা লাভ নিশ্চিতকৰণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। সেই শিক্ষা হ'ব দায়িত্বশীল আৰু সক্ৰিয় নাগৰিক হিচাপে গঢ়ি তুলিব পৰা প্ৰয়োজনীয় দক্ষতা, জ্ঞান, নীতি আৰু আহৰণ কৰিব পৰা শিক্ষা। ২০১৯ চনত কেন্দ্ৰীয় শাসিত অঞ্চল ঘোষিত হোৱাৰ পিছত জম্মু আৰু কাশ্মীৰতো এই আইন বলবৎ হয়।

এই আইনত প্ৰৱেশ-নথকা শিশুৰ বাবে উপযুক্ত বয়সৰ শ্ৰেণীত প্ৰৱেশ বা নামভৰ্তিৰ ব্যৱস্থা আছে। এই আইনে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ ক্ষেত্ৰত চৰকাৰ, স্থানীয় কৰ্তৃপক্ষ আৰু অভিভাৱকৰ কৰ্তব্য আৰু দায়িত্বৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰিছে। লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অংশীদাৰীত্ব বিত্তীয় আৰু অন্যান্য দায়িত্বৰ ওপৰতো আলোকপাত কৰিছে। আইনখনে ছাত্ৰ-শিক্ষকৰ অনুপাত, আন্তঃগাথনি, বিদ্যালয়ত কৰ্মৰত দিন, শিক্ষক-কৰ্মৰত সময় এইসমূহ গুৰুত্ব দিওঁতে শিক্ষাৰ মানদণ্ডৰ বিষয়টো এৰাই চলাৰ দৰে হ'ল। শিক্ষকৰ নিযুক্তিত গ্ৰাম্য চহৰৰ ভাৰসাম্য ৰখাৰ বাবে ইয়াত ছাত্ৰ-শিক্ষকৰ অনুপাত ৰাজ্য, জিলা বা ব্লকৰ সলনি প্ৰতিখন বিদ্যালয়ত প্ৰযোজ্য কৰা

হৈছে। দহ বছৰীয়া লোকপিয়ল, স্থানীয় কর্তৃপক্ষ, ৰাজ্যিক বিধানমণ্ডল আৰু সংসদৰ নির্বাচন আৰু দুর্যোগৰ সময়ত সহায়ৰ বাদে শিক্ষকক আন অশৈক্ষিক কাম কাজত অন্তর্ভুক্ত নকৰিবলৈকো ইয়াত ব্যৱস্থা আছে।

আইনখনে উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত অর্থাৎ, আৱশ্যকীয় প্ৰৱেশ আৰু শিক্ষাগত অর্হতাসম্পন্ন শিক্ষকৰ নিযুক্তিৰ ব্যৱস্থা কৰিছে। এই আইনখনে বাধা প্ৰদান কৰা দিশ কেইটামান হৈছে - শাৰীৰিক আৰু মানসিক শাস্তি, ছাত্ৰ-ছাত্ৰীৰ নামভর্তিৰ বাবে বাচনি পদ্ধতি, মাচুল, শিক্ষকৰ দ্বাৰা ব্যক্তিগত টিউচন, স্বীকৃতিবিহীন বিদ্যালয় চলাই থকা।

সংবিধানত উল্লেখ থকা মূল্যবোধৰ সৈতে সংগতি ৰাখি পাঠ্যক্ৰম বিকাশৰ ব্যৱস্থা এই আইনে কৰিছে। ইয়াৰ জৰিয়তে শিশুৰ সৰ্বাংগীন বিকাশ, জ্ঞানবর্দ্ধন, প্ৰতিভা আৰু সম্ভাৱনীয়তাৰ উৎকর্ষ সাধনৰ লগতে শিশুসুলভ আৰু শিশুকেন্দ্ৰিক শিকন পদ্ধতিৰে শিশুক ভয়, মানসিক যন্ত্ৰণা, দুশ্চিন্তা আদিৰ পৰা মুক্ত কৰাৰ চেষ্টা কৰা হৈছে।

~ ডেভিদ্ মেধি।
ৰোল নং - ৬২
'খ' শাখা, প্ৰথম বর্ষ।

## NEED FOR GIRL CHILD EDUCATION

Education is the exercise of easing learning or the gaining of understanding, knowledge, Capabilities, practicality, morals, optimism and practice. Education is very important for every child whether boy or girl. There are some communities still exists that discriminate against the girl child education. Education is the key factor for girl's empowerment, development, property and welfare. In Order to fight against all this socially constructed gender biases, girls and women have to work against the system that requires more strength. Such Strength comes from the Process of empowerment and empowerment comes from education

Pandit Jawaharlal Nehru once said, " if you educate a man you educate an individual, however if you educate a women you educate a whole family. Women empowered means mother India empowerd."

Education is considerd as a milestone for women empowerment. Today, the female literacy levels according to the literacy rate 2011, census are 65.46%. Where the male literacy rate is over 80%. The low literacy rate among women brings down the national literacy. The gaps which are exists between the enrollment of two sexes. i.e. boys and girls at all levels of education right from the Primary School to university, there is noticibly found that number of girls students is

considerably lower than boys. Looking at the present condition of Primary education in villages, it is unfortunatley seen that the children are sent to School not according to their intelligence or aptitudes but according to their sex. In rural areas, one of the major barriers is high dropout rate. It is estimated that 45% of girls dropout of School between grade 1 to 5. Girls are often taken out of School to share the family responsibilities such as helping household work, taking care of younger siblings etc. Parents also don't see the value of educating especially a daughter who would get married and remain a housewife. Since, they cann't see any direct relationship between education and economic betterment, they have very little motivation to send their girl child to School. Women empowerment can only be achieved through the Provision of adequate formal and functional education to the women and this provision is needed for the following reasons—

1) Decrease infant mortality.
2) Decrease child marriage
3) Decrease maternal mortality
4) Decrease population explosion
5) Decrease domestic and sexual violence

— Nilakshi Borah, Roll no - 60
Sec - 'B'

## শিক্ষাত খেল-ধেমালিৰ গুৰুত্ব

শিক্ষাৰ অৰ্থ কেৱল কিতাপৰ জ্ঞান অৰ্জন কৰাই নহয় বৰঞ্চ শাৰীৰিক তথা মানসিক দিশৰ বিকাশৰ ওপৰতো শিক্ষাই গুৰুত্ব প্ৰদান কৰে। সেইবাবে শিক্ষাত খেল-ধেমালি আৱশ্যক। কাবাডী, দৌৰ, ফুটবল, ক্ৰিকেট, লং জাম্প, হাইজাম্প, ভলীবল, মল্লযুদ্ধ আদি খেলসমূহে মানুহৰ স্বাস্থ্য সুস্থ-সবল কৰি ৰখাত সহায় কৰে। কোৱা হয় "স্বাস্থ্যই পৰম ধন", "দেহা থাকিলেহে খেহা"। সেইবাবেই সকলো শিক্ষাৰ্থীয়েই পছন্দ অনুসৰি খেলত অংশ গ্ৰহণ কৰা উচিত।

আমাৰ প্ৰাচীন গ্ৰন্থ সমূহতো শিক্ষাদান কৰা স্থানত বিভিন্ন প্ৰকাৰৰ খেল খেলাৰ কথা উল্লেখ পোৱা যায়। উদাহৰণস্বৰূপে - ঋষি-মুনিৰ আশ্ৰম সমূহত শিক্ষাৰ্থীয়ে ধনু-কাঁড়, মল্লযুদ্ধ আদিৰ শিক্ষা লোৱাৰ কথা বিভিন্ন ঠাইত উল্লেখ আছে।

খেলত অংশ গ্ৰহণ কৰা শিক্ষাৰ্থীয়ে খেল পথাৰত অনেক শিক্ষা গ্ৰহণ কৰে। খেলৰ জৰিয়তে শিক্ষাৰ্থীয়ে একগোট হৈ কাৰ্য সফল কৰি তোলাৰ মহত্ত্ব বৃদ্ধি উঠে, নিয়মানুবৰ্তিতাৰ শিক্ষা লাভ কৰে আৰু অনুশাসনৰ ভাৱ জাগ্ৰত হয়। খেল-ধেমালিয়ে দেহ-মন সুস্থ-সবল আৰু সতেজ কৰি ৰাখে যাৰ ফলত মানসিক অশান্তি দূৰ হয় আৰু আলস্যৰ ভাব আঁতৰ হয়।

খেল-ধূলাত নিয়মিতভাৱে ব্যস্ত থকা লোকৰ হৃদৰোগ, মধুমেহ আদি বিভিন্ন বেমাৰ-আজাৰৰ পৰাও

দূৰত থাকিবলৈ সক্ষম হয়। তদুপৰি দীৰ্ঘসময় ধৰি কৰা অধ্যয়নৰ পাছত যি মানসিক অৱসাদ হয়, সেয়াও খেল-ধেমালিৰ দ্বাৰা দূৰীকৰণ কৰিব পাৰি।

খেল-ধূলাই আন বিভিন্ন মানবীয় গুণ যেনে:- সহযোগিতা, আত্মীয়তা, আত্মবিশ্বাস, দলৰ [illegible] আদিৰ বিকাশ সাধন তথা আত্মকেন্দ্ৰিকতা, সংকীৰ্ণ মানসিকতা, স্বাৰ্থপৰ মনোভাৱ আদিৰ দূৰ কৰে। তদুপৰি, খেল সম্বন্ধে একাগ্ৰ হৈ মনোযোগ দিব পৰা শক্তিৰো বিকাশ ঘটায়।

এইদৰে খেলৰ গুৰুত্ব অপৰিসীম। বৰ্তমান সময়ত বিদ্যালয় সমূহত খেলৰ প্ৰতি গুৰুত্ব কম, কেৱল খেল ভাল পোৱা সকলহে ইয়াৰ লগত জড়িত হয়। কিন্তু প্ৰত্যেক বিদ্যালয়ত খেলৰ সু-ব্যৱস্থা থকা উচিত যাতে, সকলো শিক্ষাৰ্থীয়ে এই সমূহৰ পৰা পৰম লাভে সম্ভৱ পাব পাৰে। শিক্ষাৰ লগত খেল-ধেমালিৰ ব্যৱস্থাও থাকিলেহে পাঠ্যক্ৰম আৰু শৈক্ষিক কৰ্মত আজতে শিক্ষাৰ্থীয়ে শাৰীৰিক তথা মানসিক অৱসাদ দূৰীকৰণ কৰিবলৈ এক উত্তম বিচাৰি পাব।

ডিম্পু বৰুৱা
বি. এড. প্ৰথম বৰ্ষ
খ' শাখা

# EDUCATION TILL SENESCENCE

A child is a plantlet taken care by their parents. They tend them to shape them into an acceptable human being. Education starts from the day we are born as Education is to learn something you didn't know before. From the very first day, we come to know our mother, she helps us to get familiar with the surrounding, teachers us every possible good things in life. Childhood



passes playing and understanding what actually things are and its purpose in our lifes, educating us to learn what is good and what is not. We hit adolescence, educating ourselves with various activities and utilize the richness of one's creative capacities in every stairs. In this fast changing world where destinations are really hard to map we head towards adulthood and find out that things donot work the way we think they will so educating our mind, learning to think, treating others well, respecting everyone, learning values and morals are way much important. And gradually we meet the end accompanied by what we acquired throughout our life i.e. Education which includes all the experiences of life, which

makes you what you are today and will be the next day. Education is not a preparation for future life, but life itself. Education is not a preparation for future life but life itself. Education preserves the knowledge we have gained and passes from the womb to the tomb.

Susmita Das
'A' Section

# আই-কিউ (IQ)

"আই কিউ" হৈছে ইনটেলিজেন্স কোচেণ্ট শব্দৰ সংক্ষিপ্ত। অসমীয়াত ইয়াক 'বুদ্ধ্যাংক' অৰ্থাৎ বুদ্ধিৰ পৰিমাণ বুলিব পাৰি। বুদ্ধ্যাংক বা আই কিউৰ গাণিতিক সংজ্ঞা হ'ল —

$$\text{বুদ্ধ্যাংক (আই কিউ)} \; \frac{\text{মানসিক বয়স}}{\text{স্বাভাৱিক বয়স}} \times ১০০$$

বুদ্ধিমত্তা অনুসৰি আই কিউৰ বিভিন্ন জোখ এনেধৰণৰ : মূৰ্খ (0-25), জড়বুদ্ধি (26-50), ক্ষীণ বুদ্ধি (50-70), সাধাৰণ (70-100)। আই কিউ 100ৰ বেছি তেনে লোকক অতি প্ৰতিভাৱান বোলা হয়।

আই কিউ জোখাৰ বাবে অসংখ্য টেষ্ট বা পৰীক্ষা আছে। সাধাৰণতে কোনো মানুহৰ আই কিউ জুখিবলৈ হ'লে তেওঁৰ মানসিক বয়স কিমান সেয়া নিৰ্ণয় কৰা হয়। ফৰাচী মনোবিজ্ঞানী আলফ্ৰেড বিনেই প্ৰথমে এই পদ্ধতি নিৰ্ণয় কৰিছিল। বুদ্ধি পৰীক্ষা কৰাৰ স্কেল প্ৰথমে তৈয়াৰ কৰা হয় 1905 চনত। "বুদ্ধিৰ পৰীক্ষা" কৰিবলৈ বিনেই প্ৰথমেই ঠিক কৰিছিল। এনে কিছুমান প্ৰশ্ন দিব লাগিব যাৰ সহায়ত মানুহৰ যুক্তিবোধ আৰু বিভিন্ন ধৰণৰ সমস্যা সমাধানৰ ক্ষমতা পৰীক্ষা কৰিব পৰা যায়। এই পৰীক্ষাত বিনেৰ সহযোগী আছিল থিয়োডোৰ চিমো নামৰ আন এজন ফৰাচী মনোবিজ্ঞানী। সেয়ে বুদ্ধি পৰীক্ষা কৰাৰ স্কেল "বিনে-চিমো স্কেল" নামে জনাজাত।

আলফ্ৰেড বিনেৰ মৃত্যুৰ পিছত 1915 চনত "বিনে চিমো স্কেল"ৰ সংশোধন কৰা হয়। টাৰমান আৰু মেৰিল নামৰ দুজন মাৰ্কিন বিজ্ঞানীয়ে 1937 চনত সংশোধন কৰা বাবে তেওঁলোকৰ নাম অনুসৰি ইয়াৰ নাম দিয়া হয় "টাৰমান মেৰিল স্কেল।" এই পৰীক্ষা জনপ্ৰিয় হ'লেও বয়স্ক মানুহৰ বুদ্ধ্যাংক নিৰ্ণয় কৰা ক্ষেত্ৰত ই সিমান কাৰ্যকৰী নহ'ল। অৱশেষত ত্ৰিছৰ দশকৰ শেষৰ ফালে নিউয়ৰ্কৰ বেলভু হস্পিতালৰ ড: ডেভিদ ৱেছলাৰৰ নেতৃত্বত এদল বিশেষজ্ঞই বয়স্ক মানুহৰ বুদ্ধিৰ পৰিমাপৰ বাবে এক পৰীক্ষাৰ উদ্ভাৱন কৰে। 16 বছৰতকৈ বেছি বয়সীয়া মানুহৰ পৰীক্ষাৰ বাবে WAIS আজিও বিশেষভাৱে কাৰ্যকৰী প্ৰমাণিত হৈছে।

— মনীষা ভৰালী।
'খ' শাখা

## অনুগল্প (স্পৰ্শ)

পুবালী আঙুলিৰ ফাঁকেৰে সৰকি পৰা দিনৰ কথা, দেখিছিলো শান্ত প্ৰকৃতিৰ অশান্ত প্ৰতীকে অস্তমিত সূৰ্যৰ হেঙুলী আভা। জ্যোতিৰংগনৰ পথ খেদি জোনৰ লগত তৰাৰ লুকা-ভাকু খেলি সময় পাৰ কৰা মইজনীক জীৱনটোৱে বাৰীৰ কৰ্যা তৈল আৰু ধতুৰা গুটিৰ ভেদাভেদ বাৰুকৈয়ে শিকাই গ'ল।

মই তেতিয়া ১৫ বছৰীয়া। পথাৰৰ সোণগুটি বুটলিবৰ দিন। আৰু আপোনজনৰ পৰা পাব পৰা নিৰাপত্তাৰ আৱশ্যকতা মই আৱহেলিলো।

সম্ভৱতঃ মোৰ খুৰাদেউ। সেইদিনা স্কুলত 'চনা চনীৰ' পেকেটত শিল্পীয়ে আঙুঠি এটা পাইছিল। সেয়ে থবলে আহি আলমাৰীৰ ওপৰৰ ২০ টকাখেৰে বিঙিয়াই মাৰিছিল।

মনে-মনে হাতখন আগবঢ়াওঁতেই যেন কোনোবাই খাপ মাৰি ধৰিলে। মই ওলকিবই নোৱাৰিলো। কণ্ঠ... মাহত যেন পেইৰ বিয়াঁলে গ'ল.... আৰু খুৰা....।

— সীমামণি বৰা
'খ' শাখা

# LIGHT SEEKERS

Children outside loll and leap around,
Some shouting out the newly acquired words of a foreign tongue.
While others hiding behind the nearby wood, waiting to be found, while a child resting over the branch, yawning and groaning with hunger after a short serene slumber.

Light seekers of the world,
rise and scale the steps to the sun,
It's time you've gone out and made a mark for yourselves!

One day you shall realise the sun is actually a star, as you sink your teeth in the orange or that soggy plum from the freezer,

One day you shall gawp at the dots that are much bigger and light years away from the sun as you bury the time capsules before dark.

"The Child is the father of the man."

I etch these words of Wordsworth upon the bark of the segun, and catch a glimpse of the setting sun as my father brings me a copy, new and stark clean after selling the spinach leaves from the yard.

The crimson in the sky starts to fade and I light a lamp to seek the light in these leaves I so ardently hold in my palms.

Children of the world, the future is in your hands, shape and save it for posterity!

Rupashree Das

## সংস্কৃত ভাষাৰ গৌৰৱময় তথ্য

সংস্কৃত হৈছে বিশ্বৰ সকলোতকৈ প্ৰাচীন ভাষা ভাৰতবৰ্ষৰ প্ৰায় ৯৭% ভাষাৰেই ই জননীস্বৰূপ। ২০০১ চনৰ এক তথ্যমতে সংস্কৃত জনালোকৰ সংখ্যা প্ৰায় ১৪১৩৫ আছিল। সাম্প্ৰতিক কালত পৃথিৱীৰ বিভিন্ন দেশত সংস্কৃতিৰ মহিমা আৰু গুৰুত্বৰ কথা বুজিব পাৰি সংস্কৃত শিক্ষা গ্ৰহণৰ বাবে আগ্ৰহী হৈছে তথা শিক্ষানুষ্ঠানসমূহৰ সন্নিবিষ্ট কৰা হৈছে, ঠিক সেইসময়তে আমাৰ ভাৰতবৰ্ষত কিন্তু এইটো দেশত বিশেষ গুৰুত্ব আৰোপ কৰিবলৈ সক্ষম হোৱা নাই।

তলত সংস্কৃত ভাষাৰ বিষয়ে অনে কিছু ৰুচিপূৰ্ণ তথ্য উল্লেখ কৰা হৈছে, যি সকলো ভাৰতীয়ৰ বাবে গৌৰৱৰ বিষয় —

১/ সংস্কৃতেই হৈছে পৃথিৱীৰ অন্যতম এক ভাষা, যাক উচ্চাৰণ কৰিবলৈ জিভাৰ সকলো মাংসপেশী ব্যৱহৃত হয়।

২/ সংস্কৃত ভাষাত পৃথিৱীৰ আন ভাষাৰসমূহৰ তুলনাত আটাইতকৈ বেছি শব্দভাণ্ডাৰ আছে। বৰ্তমান 'সংস্কৃত শব্দকোষত প্ৰায় ১০২,৭৮,৫০,০০,০০০ শব্দ আছে। এই ভাষাত কেৱল "হাতী" শব্দটোৰ বাবেই সংস্কৃতত ১০০ বা অধিক সমাৰ্থক শব্দ আছে।

৩/ "ফোৰ্বস- মেগাজিনে" ১৯৮৭ চনৰ জুলাই মাহত কম্পিউটাৰ চফ্টৱেৰৰ দ্বাৰা সংস্কৃতভাষাক সকলোতকৈ উত্তম ভাষা হিচাপে গণ্য কৰিছিল। আনকি কম্পিউটাৰৰ দ্বাৰা গণিতৰ উত্তম সমাধা কৰা বিধি অৰ্থাৎ এলগোৰিথম্‌ (Algorithms) সংস্কৃততেই আৱিষ্কৃত, ইংৰাজীত নহয়।

৪/ আমেৰিকান হিন্দু বিশ্ববিদ্যালয় অনুসৰি সংস্কৃতত বাৰ্তালাপ কৰা লোকসকলৰ উচ্চ ৰক্তচাপ, মধুমেহ, কলেষ্ট্ৰল আদি ৰোগৰ পৰা মুক্ত হ'ব পাৰে। ইয়াৰোপৰি সংস্কৃতত বাৰ্তালাপ কৰিলে শৰীৰৰ তন্ত্ৰিকা-তন্ত্ৰ সক্ৰিয় হৈ থাকে, যাৰ দ্বাৰা ব্যক্তিৰ শৰীৰ সকাৰাত্মক আৱেশৰ দ্বাৰা সক্ৰিয় হৈ পাৰে। সংস্কৃত "স্পীচ থেৰাপীৰ" বাবেও প্ৰযোজ্য, ই একাগ্ৰতা বৃদ্ধিত সহায় কৰে।

৫/ NASA-ৰ মতে, সংস্কৃত হৈছে পৃথিৱীৰ আটাইতকৈ স্পষ্ট ভাষা। বৈজ্ঞানিকসকলৰ অনুসৰি - যেতিয়া মহাকাশৰ ভ্ৰমণকাৰীসকললৈ বাৰ্তা প্ৰেৰণ কৰা হৈছিল, তেতিয়া মাধ্যাকৰ্ষণ শক্তিৰ অভাৱত তেওঁলোকৰ সেই বাক্যৰ গঠন ওলোটা হৈ গৈছিল, ফলত অৰ্থ সলনি হৈ পৰিছিল। শেষত, তেওঁলোকে বাৰ্তা প্ৰেৰণৰ বাবে সংস্কৃত ভাষা প্ৰয়োগ কৰিলে, কিয়নো এই ভাষাত বাক্যৰ গঠন সলনি হ'লেও, অৰ্থৰ সলনি নহয়।

— হিমশিখা কোঁৱৰ
'ম' শাখা

## অজীৰ ঈশ্বৰ - এক অনুভৱ

অজীৰ ঈশ্বৰ, এক উপন্যাসখন ৰীতা চৌধুৰীৰ কলমত সাৰ পাই উঠা এক বিশেষ ৰচনা। এই উপন্যাসখন পৰিত্যক্ত শিশুৱে দিয়া মনোকষ্টৰ পৰা জন্ম হোৱা বুলি লেখকে কৈছে। শিশুক জন্মৰ পিছত কৰা পৰিত্যাগ আৰু শিশু হত্যাৰ নিৰ্মমতাৰ পৰা সমাজক মুক্ত কৰাৰ উদ্দেশ্য আগত ৰাখি উপন্যাসখন প্ৰকাশ কৰা হৈছে।

আচলতে লেখকে উপন্যাসখনৰ নামটো আনিছে মুখ্য চৰিত্ৰৰ পৰিত্যক্ত সন্তানটোৰ পৰা। এই 'অজীৰ' নামটো তাক তুলি-তালি ডাঙৰ-দীঘল কৰা মানুহ-গৰাকীয়ে দিছিল। আৰু 'ঈশ্বৰ' উপাধিটো 'শিশু মন্দিৰ'ত ডাঙৰ হোৱা সকলো লৰা-ছোৱালীৰ নামৰ শেষত ব্যৱহাৰ কৰিছিল। কাৰণ পৰিত্যক্ত শিশুসমূহ হৈছে ঈশ্বৰৰ সন্তান আৰু সিহঁত হৈছে ভগৱানৰ কৰ্মচাৰী। সেইবাবে শিশু মন্দিৰে 'ঈশ্বৰ' শব্দটো নামৰ পিছত লগাইছিল।

উপন্যাসখনৰ মুখ্য চৰিত্ৰ হৈছে মন্দিৰা। উপন্যাসখনত মন্দিৰাৰ অতীতত ঘটা এটা ঘটনা বৰ্ণনা কৰা হৈছে যিটো ঘটনাই বৰ্তমানৰ মন্দিৰাৰ জীৱনটোত এটা কষ্টকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। মন্দিৰা হৈছে এগৰাকী ৰূপে-গুণে সমৃদ্ধ মহিলা। সু-গৃহিণী, জীৱন-সংগিনী আৰু মাক। বিয়াৰ পিছত তাই সকলো কাম-পৰম্পৰা সমূহ সুচাৰুৰূপে চলাই নিছিল। সেইবাবে গিৰিয়েকৰ লগতে তাৰ মাক-দেউতাক,

সহকৰ্মী সকলেও তাঁইৰ ৰূপ-গুণৰ প্ৰশংসা কৰিছিল।

কিন্তু এদিনাখন গধূলি ৰাস্তাৰ দাঁতিত পৰা এটি শিশুৱে চৌবিছ বছৰ আগত ঘটা এটা ঘটনাৰ কথা মনত পেলাই দিছিল। তেতিয়া মন্দিৰাৰ আছিল মাত্ৰ চৌধ্য বছৰ। ঘৰলৈ তাইক পঢ়াবলৈ অহা শিক্ষকৰ লগত এটা লৰা সন্তান জন্ম দিছিল। মন্দিৰাৰ দেউতাকে তাইক আৰু তাইৰ মাকক ঘৰৰ সন্মান ৰক্ষা কৰাৰ বাবে ঘৰৰ ভিতৰত সুমুৱাই থৈছিল। নিজৰ দোষতেই হওক বা আনৰ দোষতেই হওক তাই সেই সন্তানটো জন্ম দিছিল। কিন্তু তাইৰ মোমায়েকে সন্তানটো ৰাস্তাৰ দাঁতিত পেলাই থৈ আহিছিল। তাই নিজে নজনাকৈ হলেও এই অপৰাধমূলক কামত সহায় কৰিছিল।

ৰাস্তাৰ কাষত মূমূৰ্ষ অৱস্থাত থকা শিশুটিয়ে খুলি দিছিল মন্দিৰাৰ জীৱনৰ সেই দুৱাৰ যি দুৱাৰ মুখা-পিন্ধা ভদ্ৰ সমাজে আঁটি আঁটি বান্ধি থৈছিল। সেই সামান্য শিশুটিয়ে ক্ষন্তেকতে সলাই পেলাইছিল মন্দিৰাক আৰু তাইৰ দৃষ্টিত জীৱনৰ অৰ্থ, সাহস দিছিল অপাৰিসীম সমাজৰ নিয়মৰ বিপক্ষে থিয় দিয়াত, সুযোগ দিছিল অতীত হৈ যোৱা ভুলৰ শুধৰণি কৰাৰ। এই উপন্যাসখনত মাতৃত্ববোধ, মাতৃ মমতাৰ এক সুন্দৰ দৃশ্য প্ৰতিফলিত হৈছে। মাতৃত্ব-বোধ হৈছে এটা সুন্দৰ অনুভৱ, ভগৱানৰ এটি উপহাৰ সকলো নাৰীলৈ। এই সুন্দৰ অনুভূতি সকলো নাৰীয়ে অনুভৱ কৰিবলৈ নাপায়। এই সুখ অনুভৱ কৰাৰ বাবে তেওঁলোকে এনেকৈ ৰাস্তাত

পাৰি মৰম শিশু অনাথ আশ্ৰমৰ পৰা নি নিজৰ সন্তান ৰূপে ডাঙৰ-দীঘল কৰে।

মন্দিৰাই তাইৰ সন্তানটোৱে চৌব্বিছ্ বছৰ পিছত লগ পাই নৈশ্ম আনন্দিত হৈছিল। তাইৰ অনুৰত ৰাজীৱৰ প্ৰতি অতীতত তাই-ৰ মাক দেউতাকে নোহোৱা কৰি পেলোৱা মৰম-স্নেহ-খিনি পুনৰ জাগি উঠিছিল। মন্দিৰাৰ গিৰীয়েক আৰু সন্তানকেইটিৰ সন্মতি আৰু সহযোগিতাত সিহঁতে ৰাজীৱক সিহঁতৰ পৰিয়াললৈ আদৰণি জনাইছিল।

মন্দিৰাৰ এই কামটো অতিকৈ প্ৰশংসনীয়। মন্দিৰাৰ দৰে এনেকুৱা কাম কৰিবলৈ যেন সকলোৱে সাহস গোটাব নোৱাৰে। এনে কাম কৰিবলৈ নিজৰ পৰিয়ালৰ লগতে সমাজৰ সহায়ৰ প্ৰয়োজন।

উপন্যাসখনৰ মাজেৰে লেখকে এগৰাকী অবৈধ মাতৃ আৰু সন্তানৰ জীৱনৰ মৰ্মবেদনা অনুধাৱন কৰি তাক পাঠক সমাজৰ আগত দাঙি ধৰাত সক্ষম হৈছে।

ভুয়নিকা কলিতা
'খ' শাখা

## আপুনি মোৰ বন্ধু হ'ব ?

আপুনি বন্ধু হ'ব মোৰ ?
না.... আপোনাৰ টকা কিমান
আপুনি দেখাত কেনেকুৱা
আপোনাৰ ফেমিলি বেক্‌গ্ৰাউণ্ড কি আপোনাৰ জাতি মই
শুধা নাই
আপোনাক কেৱল মই মোৰ বন্ধু হিচাপে বিছাৰিছো
হয়তো কেতিয়াবা অকনমান সময় বিচাৰিম
আপোনাৰ পৰা.....
জানো জানো..... আপুনি ব্যস্ত
বহুত ব্যস্ত মানুহ আপুনি......
তথাপিও সময় বিছাৰিম মই অকনমান
আপোনাৰ পৰা
কেতিয়াবা হয়তো নদীৰ পাৰত বহিম
আপোনাৰ লগত আড্ডা দিম
জীৱনৰ কথা পাতিম
হেৰুওৱাবোৰ, প্ৰাপ্তিবোৰ
কেতিয়াবা হয়তো অকনমান
মৰমৰ আবদাৰ কৰিম আপোনাৰ পৰা
অকনমান অভিমান
এইখিনি অধিকাৰতো দিব আপুনি ন !
না না আপোনাক জোৰ নকৰো কেতিয়াও
বন্ধুলৈ যদি মৰম থাকে আপুনি
আবদাৰবোৰতো মানি ল'বই ন'
হয়তো মোৰ লগত কেতিয়াবা দুপেক মাৰিব

লগা হ'ব পাৰে
নাইবা মোৰ জুঠা ছিগাৰেট হলিব লগা হ'ব পাৰে
অঃ আপুনি এইবোৰ নাখায় নেকি......
এইবোৰ নাখালেওতো এটালিষ্ট আপুনি মোক কম্পেনি দিব পাৰিব.....
বন্ধু বুলি.....
এই বন্ধু শব্দটো মোৰ বহুত প্ৰিয় জানে
বহুত আপোন.....
কিন্তু মই যে আপোন কাৰোৰে নহয়
নাই মই কন্দা নাই.....
জাষ্ট কথাটোহে কৈছো
বাৰু আপোনাৰ কওকচোন
আপোনাৰ প্ৰিয় বন্ধুজনৰ কথা
কি কলে
আপোনাৰ কোনো বন্ধু নাই
কি জানেনে, এই বস্তু পৃথিৱীখনত মৰম, ভালপোৱা, আবেগ সম্পৰ্ক এইবোৰ মূল্যহীন ভোগবাদী পৃথিৱীখন এতিয়া টকাৰ পিছত টকাৰ জুলাচলিত সম্পৰ্কবোৰৰ ওজন শূন্য
বন্ধুত্বটো জীৱনৰ এটা পাৰ্ট হয় ন
জীৱনৰ এক তৃতীয়াংশই আমি বন্ধুৰ লগত কটাও, সেই বুজা হোৱা সময়ৰ পৰা ঘৰৰ মানুহে আমাক যাৰ লগত লগ হ'বলৈ মানা কৰে আমাৰ তাৰ লগতেই যেন আন্তৰিকতাবোৰ বেছি হয়

বন্ধুক ধৰি কিবা কলেই মং উঠি গৈছিল কিন্তু সেই
বন্ধুবোৰৰ আজি একো ঠিকনাই নাই

আপুনি কান্দিছে......

নাকান্দিব.......

আঁতৰি যোৱাবোৰক লৈনো কিহৰ দুখ

যদি আপুনি ভৰসা কৰিব পাৰে আমি হয়ো হয়োবে
বন্ধু হব পাৰোঁ

বিপদত আপোনাক কিমান সহায় কৰিব পাৰিম
সেয়া নকও কিন্তু আপোনাৰ দুহাত যে কেতিয়াও
নেৰো সেয়া গেৰান্টি দিব পাৰোঁ...... কওঁক,
আপুনি বন্ধু হ'ব মোৰ....... ?

অমিত সিং হ
'ক্স' শাখা

# বাটে বাটে যুলি সিঁচি থৈ

"আমাৰ বিচ্ছেদ হলেও অৰ্বীৰৰ প্ৰতি আমাৰ দুয়োৰে দায়িত্ব আছে অভি।

তুমি কি ভাবা?"

স্নেহাৰ কথাত অন্যমনস্ক হৈ থকা অভিয়েও সন্মতি দি কিছুপৰ মৌন হৈ থাকিল।

"স্নেহা এগৰাকী উচ্চপদস্থ চাকৰিয়াল হোৱাৰ বিপৰীতে অভিও এগৰাকী প্ৰসিদ্ধ ব্যৱসায়ী। দুয়ো বিবাহপাশত আবদ্ধ হোৱাৰ দুবছৰ পিছতেই তেওঁলোকৰ কোলা শুৱনি কৰিবলৈ অৰ্বীৰ আহিছিল।

অৰ্বীৰাজ চৌধুৰী, স্নেহা আৰু অভিৰ একমাত্ৰ সন্তান। অৰ্বীৰৰ জন্মৰ পিছৰ পৰাই স্নেহা আৰু অভিৰ আদৰ্শগত মিলৰ অভাৱত মতাগত অনৈক্যৰে আৰম্ভণি হৈছিল আৰু সেই মতানৈক্যৰ বাবেই এদিন দুয়োৰে বেলেগ-বেলেগকৈ থকাৰ সিদ্ধান্ত লৈছিল। এটা দুবছৰীয়া সন্তান লৈ স্নেহাৰ যথেষ্ট কষ্ট হোৱাৰ লগতে সন্তান-স্নেহৰ পৰা অভি আঁতৰি থাকি যথেষ্ট অসহায় অনুভৱ কৰিছিল। কিন্তু তাতোকৈ বেছি ক্ষতি হৈছিল দুবছৰীয়া অৰ্বীৰৰ। পিতৃ-মাতৃৰ পৰা পাবলগীয়া মৰমৰ পৰা বঞ্চিত হৈ সি সেঁহসেঁতীয়া হোৱাৰ লগতে শাৰীৰিক আৰু মানসিকভাৱে কিছু অসুস্থ হৈ পৰিছিল। মাক দেউতাকৰ নিমিলা অংকত সিও হৈ পৰিছিল এটা অসুস্থ ভাগফল।"

স্নেহাই বাৰে বাৰে কথাটো উপলব্ধি কৰি অভিক লগ ধৰি কথাখিনি কৈছিল।

"আমাৰ নিমিলা অংকত আমাৰ অৰ্বীৰে বহু কষ্ট পালে স্নেহা, যাৰবাবে মই নিজকে অপৰাধী অনুভৱ কৰোঁ।" অভিয়ে ক'লে।

“তাকেই। আমাৰ সম্পৰ্কই হয়তো আৰু স্বামী-স্ত্ৰীৰ পৰ্যায়ত ধৰি নিদিয়ে, কিন্তু আমি অৰ্থীৰৰ মাক-দেউতাক হিচাপে আমাৰ কৰ্তব্যবিলাকৰ সময়ত অন্ততঃ আমাৰ মাজত থকা অমিলখিনিৰ মিল কৰিব লাগিব, অভি। সন্তান জন্ম দিয়াৰ সিদ্ধান্ত আমিয়েই লৈছোঁ যেতিয়া, আমি তাক মাজবাটত এৰি নিজৰ ইগক প্ৰাধান্য দিলে ভৱিষ্যতে ভয়ংকৰ হ'ব।” স্নেহাই একেষাৰে কথাখিনি কৈ উঠিল।

স্নেহাৰ কথাত অভিয়ে মূৰ দুপিয়াই ক'লে - “পতি-পত্নী নহৈ আমি বন্ধু হৈও অৰ্থীৰৰ কৰ্তব্য আৰু দায়িত্ব পালন কৰিয়েও হয়তো সফল নহ'লেও একেবাৰে অসফল মাক-দেউতাক আমি নহম নে স্নেহা?” স্নেহাই মিচিকিয়াই হাঁহিলে,

“চেষ্টা কৰি চাওঁ অভি, বাকী সময়ে উত্তৰ দিব। অধীৰৰ বাবে যিমান কৰিবলগীয়া আছে, সকলোখিনি কৰি যাওঁ দুয়োজনে মিলি। বলা, এতিয়া যাওঁ।”

অস্তগামী সূৰ্য্য নামি আহিছিল, অভি আৰু স্নেহা এক নতুন বন্ধুত্বৰ ডোলেৰে বান্ধ খাই ঘৰলৈ উভতিছিল।

হিমাশ্ৰী কাশ্যপ
“খ” শাখা

<u>বাস্তৱ</u>

টিলিং টিলিং টিলিং ..........

মণিকৰ ঘৰ টিলিফোনটোৰ শব্দত প্ৰিয়াঙ্কাৰ টোপনি ভাঙিল। গৰুটোৰ ওচৰতে থোৱা ঘড়ীটোত চালে প্ৰায় ৭:৩০ বাজিছে। এনেহতে তাই ঘড়ীটো থৈ লেপৰ তলত আকৌ এবাৰ বাগৰ সলাই শুই থাকিল। কিছুসময় পিছত হাতত টিফিনকেৰিয়াৰ লৈ মাকে তাইৰ কোঠাটোত সোমোৱাত টিফিনৰ গোন্ধটো তাইৰ একেবাৰে নাকত আহি লাগিল।

মাকে তাইক তেনেকৈ শুই থকা দেখি অলপ খঙেৰে ক'লে, "তোৰ উঠিবলৈ হোৱা নাই? তোৰ বয়সৰ ল'ৰা ছোৱালীবোৰে পুৱাতেই টিউচন যায়, সিহঁতৰ আহিবৰে হ'ল আৰু তোৰ উঠিবৰ হোৱা নাই। উঠিবি কেতিয়াকৈ; একো এটাওতো নপঢ়া পুৱা আৰু কলেজলৈ দেৰি হ'লে মোক সৰ দোষ লগাবি? উঠ এতিয়াই।

"ৰবাহে মা, কিবা এটা ভাল সপোন দেখি আছিলোঁহে সপোনত, কিলাই মনে ভগাই। উঠিম নহয় মই নিজে তুমি বাৰে বাৰে নকলেও হ'ব।" প্ৰিয়াঙ্কাই মাকক উকেলিয়া কথাষিনি ক'লে।

প্ৰিয়াঙ্কাৰ তেনেকৈ উত্তৰ দিয়া দেখি এইবাৰ মাকৰ খঙ টুলিৰ আগ পালে। "শুই থাক, একো নকওঁ, যিদিনা নাথাকিম সেইদিনা বুজিবি বাস্তৱ কি বস্তু? তোৰ সপোন কল্পনা সকলো নোহোৱা হ'ব," এনেকৈ বকি বকি মাক কৰ্মৰ পৰা ওলাই গ'ল। খঙৰ ভমকত প্ৰিয়াঙ্কাইও বিচনাৰ পৰা বিহমহকৈ উঠিল আৰু হাতত ব্ৰাছখন লৈ কুঁৱাৰ

দিনে গ'ল। ব্ৰাহ্ম কৰি কৰি তাই আকৌ কল্পনাৰ ৰাজ্যত বিভোৰ হৈ পৰিল। কিমান সময় যে তেনেকৈ আছিল তাই ধৰিবই নোৱাৰিলে। পিছত সোণবা মাকৰ ধমকত সম্বিত ঘূৰাই পালে। লৰালৰিকৈ গা-ধুই আহি ইউনিফৰ্মযোৰ পিন্ধি তাই নাকে মুখে ভাত কেইটামান গুজি কলেজলৈ দৌৰ দিলে।

স্নিগ্ধা এইবাৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী। যোৱা বছৰ কেইটাত পঢ়া-শুনাৰ বাহিৰে মাকে তাইক একোকে কৰিব নিদিলে। যাৰ ফলত পাঠ্যপুথিৰ জ্ঞানৰ বাহিৰে তাইক কোনো বিষয়ৰ বাহিৰৰ জ্ঞান নহ'ল। এনেকৈয়ে স্নিগ্ধাই কল্পনাৰ জগতত বিচৰণ কৰিয়ে জীৱনৰ সুদীৰ্ঘ ১৯ টা বছৰ পাৰ কৰিলে। এনেকৈ সু-কলমে চলি থকা তাইৰ জীৱনলৈ এদিন হঠাৎ নামি আহিছিল এটা কাল অমানিশা। সেইদিনা আছিল দেওবাৰ। আন দেওবাৰৰ দৰে তাইক টিউচনত থৈ মাক-দেউতাকে ওচৰৰ গাঁওখনৰ ওচৰৰ বজাৰলৈ ওলাই গৈছিল। টিউচনৰ শেষত তাই ঘৰলৈ আহি দেখে তাইৰ ঘৰত বহুতো মানুহ থুপ খাইছে আৰু পুলিচৰ জীপ এখনে সিহঁতৰ জপনামুখত ৰখাই থোৱা আছে। তাইৰ হৃদয়ৰ কম্পনি একেসময়তে তীব্ৰতৰ হ'ল। ৰংমৰ ছুমাৰ্থকে আঁতৰাই গৈ তাই দেখিলে বগা চাদৰ এখনেৰে চোতালত কাকোবাক ঢাকি ৰখা হৈছে। তেনেকৈ মাহীয়েকে তাইক সাৱটি ধৰি কান্দিব ধৰিলে। পৰিয়ালৰ সকলোৰে অৱস্থা কান্দি কাটি কৰুণ হৈ পৰিছে। তাই যেন ধৰিবই পৰা নাই ঘৰখনত হৈছে কি? আইতাকৰ ওচৰত বহি তাই কাপোৰখন

চেপেই চালে। সেই দৃশ্য দেখি তাই শিল পৰা কাপোৰ দৰে হ'ল। সেয়া আন কোনো নহয় তাইৰ মাক যাৰ লগত তাই হাঁহি, স্ফূৰ্তি, কান্দোনাৰ লগতে জীৱনৰ প্ৰতিটো কথাই পাতিছিল। তাইৰ মাক আৰু জীয়াই নাই। তাই আমোল চাই ৰ'ল মাকৰ নিষ্প্ৰাণ মুখমণ্ডলটো যাৰ প্ৰীতি হাঁহিয়ে তাইৰ অকলো দুখ নিমিষতে নোহোৱা কৰিছিল। কান্দোনৰ ৰোল উঠা ঘৰখনত দিপ্তাই কান্দোনৰ শব্দ শুনা পোৱা নাছিল। তাইৰ কানত আমোন তেতিয়াও বাজিছিল মাকৰ সেই শব্দকেইটা "মিমিনা মামনিকণ মিমিনা বুজিবি ...... ।"

তাই তেনেকৈয়ে বহি ৰ'ল লৰচৰ নকৰাকৈ; কিমান সময় সেয়া তাইও নাজানে। হঠাতে অংকাৰ কৰি অসময়ৰ মানুহবিলাক ঘৰাঘৰি গ'ল। নিমাওমাও ঘৰটোত আঁকিয়া ঘিটমিটিয়া অন্ধকাৰ। দিপ্তাই আইতাকে থকিব লোৱা ৰুমটোত সোমাই বিচনাখনতে বহিল। আইতাকে তাইক সাৱটি ধৰি হুক হুকাই কান্দিব ধৰিলে আৰু কি গ'ল কেনেকৈ বৰ্ণনা কৰিব যাঁওতে ট্ৰাক এখনে পিছফালৰ পৰা খুন্দা মাৰি দুয়োজনৰ জীৱন খান খান কৰি পেলালে। ট্ৰাকখনৰ খুন্দাত মাকে তাতেই চিৰকালৰ বাবে চকু মুদিলে আৰু দেউতাকে চিৰকাললৈ ভৰি দুখন হেৰুৱালে। দেউতাকক হাস্পতালত ভৰ্তি কৰোৱা হৈছে, অৱস্থা প্ৰায় শোচনীয়। আইতাকৰ কথাখিনি শুনি তাই আমোল মুখ ঢুলিয়ালে আৰু নীৰৱে ওলাই আহি নিজৰ ৰুমত সোমালে। লাইটটো নুমুৱাই তাই বিচনাখনত শুই পৰিল। মনত থকা বিষাদবিলাক যেন তাইৰ দুচকুৰ কোণেৰে দুটোপাল চকুপানী হৈ নিগৰি আহিল।

ঘটনাটোৰ এসপ্তাহলৈকে মাহীয়েক আৰু আইতাকহঁতে থকা বাবে দিপ্তাই ঘৰটোত অকলশৰীয়া অনুভৱ কৰা নাছিল।

কিন্তু এজন দুজনকৈ যেতিয়া অকলশৰে যাবলৈ ওলাল তেতিয়াহে তাইৰ উপলব্ধি হ'ব ধৰিলে। ওচৰৰ অথবা আত্মীয় সুহৃদেক এজনক তাইক চাবলৈ কে আঁহিয়েক হ'ত গললগে। নিজৰ ঘৰখনত তাই আপোন হ'ল। তাইৰ অনুভৱ হ'ল, তাইৰ কল্পনাৰ পৃথিৱীখনকৈ এই বাস্তৱৰ পৃথিৱীখনৰ পাৰ্থক্য যে কিমান বেছি। দুৱাৰ চাৰি কাষৰ পৰা আৰম্ভ কৰি বাহিৰ ভেঁটি আকাশলৈকে সকলোৱে কিয় আকৰ্ষণীলৈ তাইৰ প্ৰতিটো ক্ষণতে মনত পৰিব ধৰিলে।

এদিন আৱৰ্তিত আবৰ্জনাই তাই ভয় খাই মা বুলি চিঞৰি মাক দেউতাকৰ কাষলৈ দৌৰি গ'ল। গৈ দেখে বিচনা শূন্য। তাই যেন পাহৰিয়ে গৈছিল তাই যে মাকক দেউতাক হেৰুৱাইছে। বুকুত ভয়ৰ পৰিবৰ্তে তাইৰ যেন এক গভীৰ বিষাদেৰে ভৰি ল'লে। বিছনাখনৰ ওচৰতে তাই বহি পৰিল।

প্ৰায় তিনি-চাৰি মাহ পিছত দেউতাকে সুস্থ হৈ ঘৰলৈ উভতিল। সুস্থ যদিও তেওঁ দুৰ্বল চিৰদিনীয়া। কল্পনাৰ জগতত বিচৰণ কৰি ফুৰা ছোৱালীজনীয়ে সমস্ত ঘৰৰ দায়িত্ব মূৰ পাতি ল'লে। দেউতাকক শুশ্ৰূষা কৰাৰ লগতে তাই শাৰীৰিক-ভাৱে বিকলাংগ লোকসকলৰ আৰু অনাথ শিশুসকলক মানসিক তথা আৰ্থিকভাৱে তাইৰ সামৰ্থ অনুযায়ী সহায় কৰি গৈ থাকিল। সময় বাগৰাৰ লগে লগে তাই নিজকে আঁকোৱালি লয় আৰু সমাজত নিজকে এগৰাকী সুলেখিকা হিচাপে প্ৰতিষ্ঠিত কৰাত মনোনিৱেশ কৰে। বহু ঠাইত না-মঞ্জুৰ হোৱাৰ পিছতো তাই আপ্ৰাণ চেষ্টা কৰি গ'ল। অসফলতাৰ সন্মুখীন হ'লেই তাই মাকৰ হাঁহিভৰা ফটোখনলৈ চায়। তাইৰ অনুভৱ হয় যেন মাকে তাইক দুগুণ উৎসাহেৰে পুনৰ যুঁজ দিবলৈ সাহস দিয়ে। তাই পুনৰ নতুন আশাৰে পৰিপূৰ্ণ হৈ উঠে। মাকৰ কথা বুকুত বান্ধি লৈ তাই হাতত কলম তুলি লয় এটি নতুন কবিতা লিখাৰ উদ্দেশ্যে আৰু কবিতাটোৰ নাম দিয়ে 'বাস্তৱ'।



— শিল্পা ৰায়
'খ' শাখা

## " গুৰু -শিষ্যৰ সম্বন্ধ "

" गुरुर्ब्रह्मा गुरुर्विष्णुः गुरुर्देवो महेश्वरः ।
गुरु साक्षात् परब्रह्म तस्मै श्रीगुरवे नमः ॥ "

বৈদিক যুগৰ গুৰু-শিষ্যৰ সম্বন্ধটো অত্যন্ত মধুৰ আৰু সৌহাৰ্দ্যপূৰ্ণ আছিল। সেই সময়ত শিষ্যসকলে গুৰুগৃহত বসবাস কৰি শিক্ষা গ্ৰহণ কৰিছিল। গুৰুগৃহত বাস কৰি শিক্ষা লাভ কৰাৰ উপৰিও শিষ্যসকলে খাদ্যবস্তু প্ৰস্তুত কৰাত গুৰুপত্নীক জুইৰ ইন্ধন যোগাইছিল। ইয়াৰোপৰি যজ্ঞৰ বাবে অৰণ্যৰ পৰা সমিধ কাঠ আদিৰ যোগান ধৰি গুৰু আৰু গুৰু পত্নীক সকলো ধৰণৰ কাৰ্যতে সহায়-সহযোগ আগবঢ়াইছিল।

বৈদিক কালৰ গুৰু শিষ্যৰ পৰম্পৰাত এইয়াও দেখিবলৈ পোৱা যায়। যেতিয়া গুৰু-শিষ্যৰ পাঠদান কাৰ্য্য আৰম্ভ হয় তেতিয়া সেই পাঠদানত আহিব লগীয়া সকলো ধৰণৰ বাধা-বিঘিনী নাশ কৰাৰ উদ্দেশ্যে, শিষ্যসকলৰ মন-প্ৰাণ শুদ্ধায়িত কৰা উদ্দেশ্যে আৰু শিষ্যই যাতে গুৰুৱে দিয়া সকলো বচন হৃদয়েৰে গ্ৰহণ কৰিব পাৰে সেই উদ্দেশ্যে এক শান্তি পাঠ আওঁৰাইছিল –

" ॐ सह नाववतु ।
सह नौ भुनक्तु ।
सह वीर्यं करवावहै ।
तेजस्वि नावधीतमस्तु मा विद्विषावहै ।
ॐ शान्तिः शान्तिः शान्तिः ॥ "

অৰ্থাৎ, "ব্ৰহ্মাই যেন আমাক দুয়োকে ৰক্ষা কৰে, আমাক যেন একেলগে ৰাখে, আমি যেন একেলগে জ্ঞান লাভ কৰাৰ শক্তি পাওঁ, আমাৰ শিষ্যই যেন প্ৰকৃত সত্য প্ৰকাশ কৰিব পাৰে, অথবা পোহৰৰ দৰে উজ্জ্বল হৈ উঠিব পাৰে। আমাৰ মাজত যেন কেতিয়াও বিদ্বেষৰ সৃষ্টি নহয়।"

গুৰুৱে শিষ্যৰ মঙ্গল কামনা কৰিয়েই সকলো ভাষাৰ জননী 'সংস্কৃত' ভাষাত সৃষ্ট বেদ-বেদাঙ্গ, উপনিষদ, অস্ত্ৰ-শস্ত্ৰ, চিকিৎসা শাস্ত্ৰ আদি সকলো ধৰণৰ জ্ঞানেৰে শিষ্যসকলক পাৰ্গত কৰি তুলিছিল। আৰু শিষ্যসকলেও অনুৰূপ ভাৱে গুৰুক পিতৃ জ্ঞান কৰি কায় মনোবাক্যে সকলো বচন গ্ৰহণ কৰিছিল। বৈদিক যুগৰ এই শিক্ষা ব্যৱস্থা বৰ্তমান যুগতো ঠাই ভেদে বিদ্যমান হৈ আছে। উদাহৰণস্বৰূপে - গুৰুকুল, টোল, মহৰ্ষি বিদ্যাপীঠ আদিত বৈদিক পদ্ধতিৰ শিক্ষা ব্যৱস্থাৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। ইয়াৰোপৰি বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিত সংস্কৃত ভাষাক অন্তৰ্ভুক্ত কৰি অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। গুৰু-শিষ্যৰ এই সম্বন্ধটো পিতা-পুত্ৰৰ দৰেই, যত গুৰুৱেও শিষ্যক পুত্ৰ জ্ঞান কৰিছিল আৰু শিষ্যয়ো পিতাৰ দৰেই গুৰুক শ্ৰদ্ধা কৰিছিল। এনেদৰে পিতা-পুত্ৰৰ দৰে যি স্নেহ গুৰু-শিষ্যৰ মাজত বিদ্যমান হৈ আছে সেইয়া বৰ্তমানৰ লগতে ভৱিষ্যতেও বিদ্যমান হ'ব।

~ পিংকী বুঢ়াগোহাঁই
[illegible]

# Mathematical Symbols with Name

1. Divided by → ÷
2. Multiplied by → ×
3. Addition by → +
4. Substraction by → −
5. Greater than → >
6. Less than → <
7. Greater than equal → ≥
8. Less than equal → ≤
9. Equal to → =
10. Not equal to → ≠
11. Square root → √
12. Cube root → ∛
13. Percent → %
14. Belongs to → ∈
15. Not belongs to → ∉
17. For all → ∀
18. Pi → Π or π
19. Implise → ⇒
20. Similar → ~
21. Congruent → ≅
22. Identical → ≡
23. Equivalent → ⇔
24. Infinity → ∞
25. Sigma → Σ or σ
26. Alpha → α
27. Beta → β
29. Gama → γ
30. Delta → δ or Δ
31. Theta → θ
32. phi → ϕ
33. Psi → ψ
34. Eta → η
35. xi → ξ
36. Lambda → λ
37. Zeta → ζ
38. Iota → ι i
39. kappa → κ
40. nu → ν
41. Rho → ρ
42. Tau → τ
43. chi → χ
44. Omega → ω or Ω
45. Factorical → !
46. There exists → ∃
47. Mu → μ
48. Angle → ∠


– Anamika Mondal
Sec. B

# গীতা সাৰাংশ

যি হৈ গ'ল সেয়া ভালেই হৈ গ'ল,
যি হৈ আছে সেয়া ভালেই হৈ আছে,
যি হ'ব সেয়াও ভালেই হ'ব।
তোমাৰ কি হেৰাইছে যে তুমি কান্দিছা?
তুমি কি লৈ আহিছিলা যি তুমি হেৰুৱাইছা?
তুমি কি সৃষ্টি কৰিছা যি নষ্ট হৈ গৈছে?
তুমি যি লৈছা, ইয়াৰ পৰাই লৈছা।
যি দিছা ইয়াতেই দিছা
তোমাৰ আজি আছে
কালি সেয়া আন কাৰোবাৰ আছিল।
কাইলৈ সেয়া অন্য কাৰোবাৰ হৈ যাব।
পৰিৱৰ্তনেই হ'ল সংসাৰৰ নিয়ম।

~ চয়নিকা কলিতা (সংগ্ৰাহক)
'ক' শাখা

K.R.D. College of Education
LIBRARY
Acc No:
Date:
Chhaygaon Kamrup Pin 781124


শুভ শিশু দিৱস
লৰা বন্ধু
মৌচাক
অকণ
সঁফুৰা
ৰংমন
ৰামধেনু
জ্ঞান কোষ